বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## নম্রতা আৰু বিনয়ৰ আলোকত মহানবী (ছাঃ)ৰ উত্তম চৰিত্ৰ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২২ মে ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) যে কৈছে, হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱন চৰিত্ৰৰ বিনম্রতা আৰু বিনয়ৰ দিশটো আলোচনা কৰা হৈ আছিল। আজিও সেই একেই চৰ্চাই চলি আছে। তেখেতে (ছাঃ) সৰু সৰু কথাৰ উদাহৰণ দি সেয়া প্ৰকাশ কৰিছিল। ৰাছুলুল্লাহ (ছাঃ)এ কৈছে মই তেনেকৈয়ে খাওঁ যেনেকৈ এজন দাসে খায়, আৰু তেনেকৈয়ে বহোঁ যেনেকৈ এজন দাসে বহে, কাৰণ ময়োতো এজন বান্দাহ (দাস)। অৰ্থাৎ চৰ্দাৰ বা ধনী লোকসকলৰ দৰে অহংকাৰ, আত্মগৌৰৱ আৰু প্ৰদৰ্শনিয়তা মোৰ মাজত নাই।

হজৰত আনছ (ৰা:) ৰ পৰা এটা বৰ্ণনা পোৱা যায় যে ৰছুলুল্লাহ (ছা:) ৰ এটা উট আছিল, যাৰ নাম আছিল ‘আজবা’। তাই ইমানেই বেগী আছিল যে কোনো উটেই সেই উটতকৈ আগবাঢ়ি যাব নোৱাৰিছিল। এদিন এজন বেদুইন নিজৰ এটা ডেকা উটত আৰোহণ হৈ আহিল আৰু প্ৰতিযোগিতাত সেই উটটো আজবাতকৈ আগবাঢ়ি গ’ল। ইয়াতে মুছলমানসকলে বৰ দুখ পালে আৰু বেয়া পালে যে আজবা পিছ পৰি থাকিল আৰু  সেই উটটো আগবাঢ়ি গ’ল। ৰছুলুল্লাহ (ছা:) এ তেওঁলোকৰ এই আচৰণ দেখি কৈছিল যে আল্লাহৰ এইটো অধিকাৰ আছে যে পৃথিৱীত তেওঁ যি বস্তুকে ওপৰলৈ উঠায়, তাক তেওঁ তললৈও নমায়।

তাৰ পিছত বিনম্রতাৰ আন এটা উদাহৰণ হজৰত ওমৰ (ৰা:) এ বৰ্ণনা কৰিছে যে, মই নবী কৰীম (ছাঃ)ৰ ওচৰত ওমৰা কৰাৰ অনুমতি বিচাৰিছিলোঁ। তেখেত (ছা:) অনুমতি প্ৰদান কৰি কৈছিল: হে মোৰ ভাই!  মোৰ বাবে তুমি দোৱা কৰিবা। হজৰত ওমৰ (ৰা:) এ বৰ্ণনা কৰে যে তেখেত (ছা:) এনে এটা কথা কৈছিল যে ইয়াৰ পৰিৱৰ্তে যদি মই সমগ্ৰ পৃথিৱীখনো পালোঁহেঁতেন, তথাপিও মোৰ ইমান আনন্দ নালাগিলেহেঁতেন। তেখেত (ছা) ৰ ওপৰত দৰূদ পঠোৱাটো আল্লাহ তা’লাই দোয়া কবুল হোৱাৰ বাবে অপৰিহাৰ্য কৰি তুলিছে। কিন্তু বিনম্রতাৰ চৰম সীমা চোৱা, তেখেত (ছা:) নিজৰ এজন অনুগামীক কৈছিল যে মোৰ বাবে দোয়া কৰিবা।

হুজুৰ  আনোৱাৰে কৈছে: হজৰত নবী কৰীম (ছাঃ)এ কোনো কাম কৰিবলৈ কেতিয়াও লাজ বা কুণ্ঠাবোধ কৰা নাছিল আৰু সৰুতকৈ সৰু কামো তেখেত (ছাঃ) এ কেৱল নিজে কামটো কৰি আনক দেখুৱাই থকাই নাছিল, বৰঞ্চ তেওঁলোকক শিকাইছিলো। সেই অনুসৰী এটা ৰেৱায়ত (বৰ্ণনা) আছে যে, এবাৰ নবী কৰিম (ছাঃ) এজন ল’ৰাৰ কাষেৰে পাৰ হৈ গৈ

আছিল। ল'ৰাটোৱে ছাগলী এখনৰ ছাল বখলিয়াই আছিল। তেতিয়া তেখেত (ছাঃ) এ তাক আঁতৰাই দি কৈছিল, পিছলৈ আঁতৰি যোৱা যাতে মই তোমাক সঠিক পদ্ধতিটো দেখুৱাব পাৰোঁ, কিয়নো মোৰ ধাৰণা হোৱা নাই যে তোমাৰ ছাল বখলিওৱাত পাৰদৰ্শিতা আছে। তাৰ পিছত তেখেত (ছাঃ) এ নিজৰ হাতখন ছাল আৰু মাংসৰ মাজত সুমুৱাই দি হাতখন ভিতৰলৈ লৈ গ'ল, আনকি হাতখন বগললৈকে লুকাই পৰিল। তাৰ পিছত তেখেত (ছাঃ) এ ক'লে, এইদৰে কৰা। হে ল'ৰা! এইদৰে ছাল বখলিওৱা। তেখেত (ছাঃ)এ তাৰ গোটেই কামটো কৰিও দিলে আৰু শিকায়ো দিলে।

হজৰত খাব্বাব (ৰাঃ)ৰ কন্যাৰ পৰা বৰ্ণিত আছে যে, তেওঁ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ ছাগলীৰ গাখীৰ খিৰাবলৈ লৈ আহিছিল। তেতিয়া তেখেত (ছাঃ) এ ইয়াক বান্ধি ইয়াৰ গাখীৰ খিৰালে। তেখেত (ছাঃ)এ ক'লে, মোৰ ওচৰলৈ এটা ডাঙৰ পাত্ৰ লৈ আনা। গতিকে মই এটা ডাঙৰ পাত্ৰ লৈ আহিলোঁ আৰু তেখেত (ছাঃ)এ তাত গাখীৰ খিৰালে, আনকি পাত্ৰটো ভৰি পৰিল। তাৰ পিছত তেখেত (ছাঃ) এ ক'লে, নিজে খোৱা আৰু তোমাৰ ওচৰ-চুবুৰীয়াকো খুওৱা।

হজৰত আনছ বিন মালিক (ৰাঃ)এ বৰ্ণনা কৰিছে যে, যেতিয়া কোনো ব্যক্তি নবী কৰিম (ছাঃ)ৰ সন্মুখলৈ আহিছিল, তেতিয়া তেখেত (ছাঃ) এ তেওঁৰ সৈতে কৰমৰ্দন কৰিছিল। তেখেত (ছাঃ)এ নিজৰ হাতখন সেই ব্যক্তিজনৰ হাতৰ পৰা টানি লোৱা নাছিল যেতিয়ালৈকে সেই ব্যক্তিজনে নিজেই নিজৰ হাতখন টানি লোৱা নাছিল, আৰু তেখেত (ছাঃ)এ নিজৰ পবিত্ৰ মুখমণ্ডল সেই ব্যক্তিজনৰ মুখৰ পৰা ঘূৰাই লোৱা নাছিল যেতিয়ালৈকে সেই ব্যক্তিজনে নিজেই মুখ ঘূৰাই লোৱা নাছিল। তেখেত (ছাঃ)ক কেতিয়াও নিজৰ বহা সংগীসকলৰ সন্মুখত আঁঠু আগবঢ়াই বহি থকা দেখা নগৈছিল।

মৰুভূমিৰ বাসিন্দা (বেদুইন)সকলৰ মাজত 'জাহিৰ' নামৰ এজন চাহাবী আছিল, যিয়ে হজৰত মহম্মদ (ছাঃ)ৰ বাবে গাঁৱৰ উপহাৰসমূহ লৈ আহিছিল আৰু যেতিয়া তেওঁ যাবলৈ লৈছিল, তেতিয়া হজৰত মহম্মদ (ছাঃ)এ তেওঁক যথেষ্ট ধন-সম্পত্তি আৰু সামগ্ৰী দি বিদায় দিছিল। হজৰত মহম্মদ (ছাঃ)এ কৈছিল যে, জাহিৰ আমাৰ মৰুভূমিৰ অৰ্থাৎ গাঁৱত থকা বন্ধু আৰু আমি তেওঁৰ চহৰীয়া বন্ধু।

এদিন এনে ঘটিল যে জাহিৰে বজাৰত নিজৰ কিছু সামগ্ৰী বিক্ৰী কৰি আছিল, তেনেতে নবী কৰিম (ছাঃ) তেওঁৰ ওচৰলৈ আহিল আৰু পিছফালৰ পৰা তেওঁক নিজৰ বুকুৰ সৈতে সাৱটি ধৰিলে। হজৰত জাহিৰ (ৰাঃ)এ নবী কৰিম (ছাঃ)ক দেখিবলৈ পোৱা নাছিল। তেওঁ সুধিলে, কোন এইজন? মোক এৰি দিয়ক। কিন্তু যেতিয়া তেওঁ ঘূৰি চালে, তেতিয়া নবী কৰিম (ছাঃ)ক চিনি পালে আৰু নিজৰ পিঠিখন নবী কৰিম (ছাঃ)ৰ পবিত্ৰ বুকুৰ সৈতে মিলাই দিবলৈ ধৰিলে। নবী কৰিম (ছাঃ)এ ক'বলৈ ধৰিলে, কোনোবাই এই গোলামজনক কিনিবনে? হজৰত জাহিৰে কলে যে, হে আল্লাৰ ৰছুল (ছাঃ)! তেন্তে আপুনি মোক এটা লোকচানৰ চুক্তি হিচাপে পাব (অৰ্থাৎ মোৰ মূল্য কম হ'ব)। মোক কোনে কিনিব? ইয়াৰ ওপৰত নবী কৰিম (ছাঃ)এ ক'লে, আল্লাৰ ওচৰত তুমি কোনো লোকচানৰ বস্তু নহয়, বা ক'লে যে আল্লাহৰ দৰবাৰত তুমি অতি মূল্যবান।

হজৰত ইমাম হুছেইন (ৰাঃ)এ কৈছে যে, মই মোৰ দেউতাৰ পৰা ৰছুলুল্লাহ (ছাঃ)এ ঘৰত প্ৰৱেশ কৰা সন্দৰ্ভত সুধিছিলোঁ। হজৰত আলী (ৰাঃ)এ ক'লে যে যেতিয়া হজৰত মহম্মদ (ছাঃ) নিজৰ ঘৰলৈ আহিছিল, তেতিয়া তেওঁ ঘৰৰ সময়খিনিক তিনিটা ভাগত বিভক্ত কৰি লৈছিল। এটা ভাগ আল্লাহ জাল্লা শ্বানুহুৰ বাবে উৎসৰ্গা কৰিছিল, এটা ভাগ নিজৰ পৰিয়ালৰ বাবে আৰু এটা ভাগ নিজৰ বাবে ৰাখিছিল। পাছত তেখেতে নিজৰ অংশটোকো নিজৰ আৰু মানুহৰ মাজত ভগাই লৈছিল আৰু ইয়াৰ জৰিয়তে বিশেষ চাহাবাসকলৰ (সংগীসকলৰ) মাধ্যমেৰে সাধাৰণ ৰাইজৰ ওচৰলৈ দ্বীনৰ (ধৰ্মৰ) কথাবোৰ কঢ়িয়াই লৈ গৈছিল আৰু তেওঁলোকৰ পৰা কোনো কথা লুকুৱাই ৰখা নাছিল।

হুজুৰ (আইঃ)এ কৈছে যে তেখেত (ছাঃ) ৰ ওপৰত যি প্ৰথম ওহী (প্ৰত্যাদেশ) নাযিল হৈছিল, তাৰ পৰাও তেখেত (ছাঃ) ৰ নম্ৰতা আৰু বিনয় প্ৰকাশ পায়। হজৰত মুছলেহ মাওউদ (ৰা:) এ কৈছে, প্ৰথম ওহী হীৰা গুহাত নাযিল হৈছিল, য'ত

জিব্ৰাইল (আঃ) ক ৰছুল কৰীম (ছাঃ)-এ প্ৰত্যক্ষ কৰিছিল আৰু জিব্ৰাইল (আঃ) এ কৈছিল 'ইকৰা' অৰ্থাৎ পঢ়ক। ৰছুল কৰীম (ছাঃ)-এ কৈছিল, মই পঢ়িব নাজানো। ইয়াৰ অৰ্থ হ'ল যে এই বোজা মোৰ ওপৰত জাপি দিয়া নহওক, কাৰণ সেই সময়ত তেখেত (ছাঃ) ৰ সন্মুখত কোনো কিতাপ ৰখা হোৱা নাছিল যিখন আপুনি পঢ়িব লাগিছিল, বৰঞ্চ জিব্ৰাইল (আঃ)-এ যি কৈছিল তাক তেখেতৰ মুখেৰে আওৰাব লাগিছিল আৰু এই কাম তেখেত কৰিব পাৰিলেহেঁতেন; কিন্তু তেখেত নম্ৰতা প্ৰকাশ কৰিলে। যিহেতু আল্লাহ তা'লাই এই কামৰ বাবে তেখেত (ছাঃ)ক মনোনীত কৰিছিল, সেয়েহে বাৰে বাৰে কোৱা হ'ল যে পঢ়ক। অৱশেষত তৃতীয়বাৰ কোৱাৰ পিছত তেখেত (ছাঃ) পঢ়িলে।

হজৰত ওমৰ (ৰা:) ৰ পৰা বৰ্ণিত যে মই এবাৰ নবী কৰীম (ছাঃ)-ৰ খিদমতত উপস্থিত হৈছিলো। তেখেত (ছাঃ) এ নিজৰ ওপৰৰ কোঠাত বিৰাজমান আছিল আৰু সেই সময়ত তেখেত এখন চটাইৰ (পাটি) ওপৰত আছিল। তেখেত আৰু সেই চটাইখনৰ মাজত আন একো বস্তু নাছিল। তেখেতৰ মূৰৰ তলত চামৰাৰ এটা গাৰু আছিল, য'ত খেজুৰ গছৰ আঁহ ভৰাই থোৱা আছিল আৰু তেখেতৰ ভৰিৰ কাষত বাবুল (কিকৰ) গছৰ পাতৰ দমেক আছিল। মই তেখেতৰ পিঠিত চটাইৰ দাগ বহি যোৱাও দেখিবলৈ পালোঁ। এই দৃশ্য দেখি মোৰ চকুৰ পৰা পানী ওলাই আহিল।

তেখেত (ছাঃ) এ সুধিলে, তোমাক কি কথাই কন্দুৱাইছে? মই কলোঁ, হে আল্লাহৰ ৰছুল (ছাঃ)! কিছৰা আৰু কাইছাৰ (পাৰস্য আৰু ৰোমৰ সম্ৰাটসকল) আৰামৰ মাজত আছে, অথচ আপুনি আল্লাহৰ ৰছুল হৈয়ো এই অৱস্থাত! তেখেত (ছাঃ) কৈছিল,

তুমি এই কথাত সন্তুষ্ট নহয়নে যে তেওঁলোকৰ বাবে ইহলোক (পৃথিৱী) হওক আৰু আমাৰ বাবে পৰলোক (আখিৰাত) হওক?

দুৰাচাৰ বা বেয়া ব্যৱহাৰ কৰা লোকসকলৰ প্ৰতিও তেখেত (ছাঃ) সদায় কোমলতা আৰু নম্ৰতাৰ আচৰণ কৰিছিল। হজৰত আবু হুৰাইৰা (ৰা:) ৰ পৰা বৰ্ণিত হৈছে যে এজন মানুহে ৰছুলুল্লাহ (ছাঃ)-ৰ ওচৰলৈ আহি নিজৰ প্ৰাপ্য (ঋণ) দাবী কৰিলে আৰু বৰ কঠোৰ ভাষা প্ৰয়োগ কৰিলে। চাহাবাসকলে খং কৰিলে, কিন্তু ৰছুলুল্লাহ (ছাঃ)-এ কলে: তেওঁক এৰি দিয়া আৰু এটা উট কিনি তেওঁক দি দিয়া। চাহাবাসকলে ক'লে, আমি তেওঁৰ ঋণৰ সমপৰ্যায়ৰ উট পোৱা নাই, বৰঞ্চ তাতকৈ অধিক মূল্যবান উটহে পাইছোঁ। তেখেত (ছাঃ) কলে সেইটোৱেই তেওঁক দি দিয়া, কাৰণ তোমালোকৰ ভিতৰত আটাইতকৈ উত্তম সেইজন, যিয়ে ঋণ পৰিশোধৰ ক্ষেত্ৰত আটাইতকৈ শ্ৰেষ্ঠ।

মক্কা বিজয়ৰ সময়ত হজৰত আবু বকৰ (ৰা:) এ নিজৰ পিতৃক লগত লৈ ৰছুল কৰীম (ছাঃ)-ৰ দৰবাৰত উপস্থিত হৈছিল। নবী কৰীম (ছাঃ)-এ তেওঁক দেখি কৈছিল হে আবু বকৰ! তুমি এই বৃদ্ধ মানুহজনক ঘৰতে থাকিবলৈ দিব লাগিছিল। মই নিজেই তেওঁৰ ওচৰলৈ গুচি গ'লোহেঁতেন। ইয়াৰ ওপৰত হজৰত আবু বকৰ (ৰা:) এ কৈছিল হে আল্লাহৰ ৰছুল (ছাঃ)! আপোনাৰ খিদমতত হাজিৰ হোৱাৰ বাবে তেওঁহে বেছি যোগ্য আছিল। তেখেত (ৰাঃ) এ তেওঁক ৰছুল কৰীম (ছাঃ)-ৰ সন্মুখত বহুৱালে। তেখেত (ছাঃ) তেওঁৰ বুকুত হাত ৰাখি ক'লে যে ইছলাম গ্ৰহণ কৰক, আপুনি শান্তিত (নিৰাপত্তাত) আহি যাব। অৱশেষত আবু কুহাফা (ৰা:) এ ইছলাম ধৰ্ম গ্ৰহণ কৰিলে।

তেখেত (ছাঃ) ৰ ঘৰৰ সন্দৰ্ভত হজৰত হাছান (ৰা:) ৰ পৰা বৰ্ণিত যে ৰছুলুল্লাহ (ছাঃ)-ৰ দুৱাৰ সকলোৰে বাবে খোলা আছিল। তেখেত (ছাঃ)ৰ বাবে কোনো দৰবান থিয় হৈ থকা নাছিল আৰু তেখেতৰ বাবে ৰাতিপুৱা-গধূলি ডাঙৰ ডাঙৰ পাত্ৰত কোনো বিশেষ শাহী খাদ্য পৰিৱেশন কৰা হোৱা নাছিল; অৰ্থাৎ কোনো উচ্চ মানদণ্ডৰ লাহ-বিলাহৰ আহাৰ আগবঢ়োৱা নাছিল। ৰছুলুল্লাহ (ছাঃ)ক যিয়েই সাক্ষাৎ কৰিবলৈ বিচাৰিছিল, তেৱেঁই অতি সহজে তেখেতক লগ পাব পাৰিছিল। তেখেত মাটিত বহিছিল, সাধাৰণ আৰু ডাঠ কাপোৰ পৰিধান কৰিছিল, গাধৰ পিঠিত উঠি ভ্ৰমণ কৰিছিল,

নিজৰ বাহনৰ পিছফালে আন লোককো বহুৱাই লৈছিল আৰু আহাৰ গ্ৰহণ কৰাৰ পিছত নিজৰ আঙুলিবোৰ চেলেকি পৰিষ্কাৰ কৰি লৈছিল।

আঙুলি চেলেকা সন্দৰ্ভত হজৰত জয়নুল আবেদিন ওলীউল্লাহ শ্বাহ চাহেব (ৰাঃ)ৰ এটা টোকা আছে, য'ত হজৰত ডাক্তৰ মীৰ মহম্মদ ইছমাইল চাহেব (ৰাঃ)ৰ উদ্ধৃতি দি লিখা হৈছে যে— চিকিৎসকসকল এই কথাত একমত যে মানুহৰ হাতৰ আঙুলিবোৰত এক বিশেষ স্পৰ্শৰ শক্তি (স্পৰ্শ ক্ষমতা) থাকে। গতিকে, খোৱাৰ পিছত যদি নিজৰ আঙুলিবোৰ চেলেকি লোৱা হয়, তেন্তে সেয়া হজম প্ৰক্ৰিয়াৰ বাবে উপকাৰী।

মছজিদ পৰিষ্কাৰ কৰা সন্দৰ্ভত হজৰত য়াকুব বিন জায়দ (ৰাঃৰ) পৰা বৰ্ণিত হৈছে যে ৰছুলুল্লাহ (ছাঃ) মছজিদলৈ অহা ধূলি-বালিবোৰ এডাল লাঠী বা ছুৰীৰে পৰিষ্কাৰ কৰিছিল। অৰ্থাৎ লাঠীডালৰ আগফালে কোনো কাপোৰ আদি বান্ধি তাৰ সহায়ত ধূলিবোৰ জাৰি-ফুকি চাফা কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)এ কৈছে, আল্লাহ তা'লা অত্যন্ত ৰহিম আৰু কৰিম (পৰম দয়ালু আৰু দাতা)। তেওঁ সকলো প্ৰকাৰে মানুহক প্ৰতিপালন কৰে আৰু তেওঁলোকৰ ওপৰত দয়া বৰ্ষণ কৰে। আৰু এই দয়াৰ বাবেই তেওঁ নিজৰ প্ৰেৰিত আৰু ৰছুলসকলক পঠিয়ায়, যাতে তেওঁলোকে পৃথিৱীৰ মানুহক পাপেৰে ভৰা জীৱনৰ পৰা পৰিত্ৰাণ দিয়ে। কিন্তু অহংকাৰ এক অতি ভয়ংকৰ ব্যাধি। যিজন মানুহৰ ভিতৰত অহংকাৰ সৃষ্টি হয়, তেওঁৰ আধ্যাত্মিক মৃত্যু ঘটে। মই নিশ্চিতভাৱে জানো যে এই ব্যাধি হত্যাতকৈও অধিক ভয়াৱহ। অহংকাৰী ব্যক্তি চয়তানৰ ভাতৃ হৈ পৰে, কিয়নো অহংকাৰেহে চয়তানক লাঞ্ছিত আৰু অপমানিত কৰিছিল।

সেয়েহে এজন মোমিনৰ (বিশ্বাসীৰ) চৰ্ত এয়া যে তেওঁৰ ভিতৰত যেন কোনো অহংকাৰ নাথাকে; বৰঞ্চ তেওঁৰ মাজত নম্ৰতা, বিনয় আৰু সৰলতা থাকিব লাগে। এয়া ঈশ্বৰৰ প্ৰেৰিতসকলৰ এক বিশেষ গুণ যে তেওঁলোকৰ মাজত চৰম পৰ্যায়ৰ নম্ৰতা আৰু বিনয় থাকে। হজৰত মহম্মদ (ছাঃ)ৰ মাজত এই গুণ আটাইতকৈ বেছি আছিল।

তেখেত (ছাঃ)ৰ এজন সেৱকক সোধা হৈছিল যে আপোনাৰ সৈতে তেখেত (ছাঃ)ৰ ব্যৱহাৰ কেনেকুৱা আছিল? তেতিয়া সেৱকজনে উত্তৰ দিছিল, সঁচা কথা ক'বলৈ গ'লে, মোৰ সেৱা কৰাতকৈ তেখেতেহে মোৰ বেছি সেৱা-শুশ্ৰূষা কৰিছিল। আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ৱা আলা আলি মুহাম্মাদিন ৱা বাৰিক ৱা ছাল্লিম।

আল্লাহ তা'লাই আমাক হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষা আৰু তেখেতৰ আদৰ্শ অনুসৰণ কৰি নম্ৰতা অৱলম্বন কৰাৰ তৌফিক (সামৰ্থ্য) দান কৰক। আমীন।

শেষত, হুজুৰ আনোৱাৰ (আইঃ) এ প্ৰয়াত মহম্মদ ইছহাক চাহেবৰ পুত্ৰ মাননীয় মালিক দাউদ মাহমুদ চাহেবৰ গুণাৱলী স্মৰণ কৰে আৰু তেওঁৰ অনুপস্থিতিত জানাজাৰ নামাজ (নামাজে জানাজা গায়েব) পঢ়োৱাৰ কথা ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهِ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ
اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ
وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ
وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 22 May 2026

Nazarat Nashor-O-Ishaat Qadian